NSD NEWS UNIT

# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 06-10-2022
Time : 0705 Hrs

**ASSAMESE MORNING BULLETIN**

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হিমাচল প্ৰদেশৰ বিলাসপুৰত ৩ হাজাৰ ৬৫০ কোটিৰো অধিক টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনাৰ সম্ভাৱনা নুই কৰি কৈছে যে, মোদী চৰকাৰে অকল জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সৈতেহে আলোচনা কৰিব।

৩। ভাৰত চেনীৰ সৰ্ববৃহৎ উৎপাদনকাৰী আৰু দ্বিতীয় সৰ্ববৃহৎ ৰপ্তানীকাৰী দেশ হিচাপে পৰিগণিত হৈছে।

৪। পেট্ৰলিয়াম ৰপ্তানীকাৰী দেশসমূহৰ সংস্থা অপেকে আৰু ইয়াৰ ৰাছিয়া নেতৃত্বাধীন সহযোগী ৰাষ্ট্ৰসমূহে কালি ভিয়েনাত অনুষ্ঠিত বৈঠকত তেলৰ উৎপাদন প্ৰতিদিনে ২০ লাখ বেৰেলকৈ কৰ্তন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

0000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হিমাচল প্ৰদেশৰ বিলাসপুৰত ৩ হাজাৰ ৬৫০ কোটিৰো অধিক টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বিলাসপুৰত উপস্থিত হোৱাৰ পাছতেই প্ৰধানমন্ত্ৰীয়ে কোহটীপুৰাত এহেজাৰ ৪৭০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ২৪৭ একৰৰো অধিক ভূমিত নিৰ্মাণ কৰা এই প্ৰতিষ্ঠানটো সকলো ধৰণৰ অত্যাধুনিক চিকিৎসা সুবিধাৰে সুসজ্জিত। প্ৰধানমন্ত্ৰীয়ে লগতে বিলাসপুৰৰ বান্দ্লাত চৰকাৰী জল অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰে। ইয়াৰ উপৰি শ্ৰীমোদীয়ে নালাগঢ়ত ৩৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিবলগীয়া চিকিৎসা সঁজুলি উদ্যান আৰু ভাৰতমালা প্ৰকল্পৰ অধীনত

পিঞ্জোৰৰ পৰা নালাগড় পৰ্য্যন্ত  নিৰ্মাণ কৰিবলগীয়া চাৰিটা লেনযুক্ত পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

পাছত বিলাসপুৰত ঐতিহাসিক লুহ্নু ময়দানত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিলাসপুৰৰ স্থানীয় ভাষাত  জনসাধাৰণক অভিনন্দন জনায়। তেওঁ কয় যে, বিলাসপুৰত নিৰ্মাণ কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানখন সেউজ এইমছ্‌ বুলি জনা যাব, কাৰণ এই প্ৰতিষ্ঠানখন পৰিৱেশ অনুকূলভাৱে নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয় যে, এই প্ৰতিষ্ঠানখনে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে বহনসাধ্য স্বাস্থ্য সেৱা সুনিশ্চিত কৰাই নহয়, বৰং অঞ্চলটোৰ জনসাধাৰণক নিজৰ ঘৰৰ ওচৰতে উন্নত স্বাস্থ্য যতন সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় চৰকাৰে বিগত আঠ বছৰত উন্নমূলক কাম-কাজৰ সুফল যাতে দেশৰ দূৰণিবটীয়া অঞ্চলৰ লোকসকলেও লাভ কৰে, তাক সুনিশ্চিত কৰাৰ বাবে কাম কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনাৰ সম্ভাৱনা নুই কৰি কৈছে যে, মোদী চৰকাৰে অকল জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সৈতেহে আলোচনা কৰিব। তেওঁ লগতে জম্মু-কাশ্মীৰৰ পৰা যিকোনো প্ৰকাৰে সন্ত্ৰাসবাদক উৎখাট কৰাত গুৰুত্ব আৰোপ কৰে। উত্তৰ কাশ্মীৰৰ বাৰামুল্লা চহৰৰ এখন বিশাল জনসভাত ভাষণ দি গৃহ মন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে, কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পিপলছ ডেম'ক্ৰেটিক পাৰ্টী - পি ডি পিয়ে যোৱা ৭৫ বছৰত জম্মু-কাশ্মীৰক  ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। শ্ৰীশ্বাহে কয় যে, ভূতপূৰ্ব মুখ্যমন্ত্ৰীদ্বয় নেচনেল কনফাৰেন্সৰ ডাঃ ফাৰুক আব্দুল্লা আৰু পি ডি পি নেতা মেহবুবা মুফ্‌টি এই অঞ্চলৰ লোকসকলৰ দুঃখজনক অৱস্থাৰ বাবে জগৰীয়া। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, যোৱা ৭৫ বছৰত কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পি ডি পিয়ে জম্মু-কাশ্মীৰত মাত্ৰ ১৫ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিছিল, কিন্তু মোদী চৰকাৰে যোৱা কেইটামান বছৰতে ৫৬ হাজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ সক্ষম হৈছে। শ্ৰীঅমিত শ্বাহে কয় যে, মোদী চৰকাৰৰ ঔদ্যোগিক পেকেজে যুৱক-যুৱতীসকলৰ হাতত বন্দুকৰ পৰিৱৰ্তে লেপটপ আৰু মোবাইল ফোন তুলি দিছে।

০০০০০০০০০০০

ইউৰোপীয় সংঘই ইউক্ৰেইন ওপৰত আক্ৰমণ চলোৱাৰ বাবে ৰাছিয়াৰ বিৰুদ্ধে এলানি নতুন প্ৰতিবন্ধকতা আৰোপ কৰাৰ চূড়ান্ত অনুমোদন জনাইছে। ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৱান ডেৰ লেয়েনে কৈছে যে, তেওঁ ৮ প্ৰকাৰৰ প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত  গঢ়ি উঠা

সহমতৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক আদৰণি জনায়। তেওঁ কয় যে তেওঁলোকে কেতিয়াও ৰাছিয়াৰ আভুৱা-ভাঁৱা জনমত সংগ্ৰহ আৰু ইউক্ৰেইনৰ অঞ্চল দেশখনৰ সৈতে চমিল কৰাৰ প্ৰক্ৰিয়া মানি নলয়। ইউৰোপীয় সংঘৰ কোনো সদস্যই যদি অন্তিম মুহূৰ্তত কোনো আপত্তি উত্থাপন নকৰে তেন্তে আজি এই চুক্তিক আনুষ্ঠানিক ৰূপ দিয়া হ'ব। প্ৰতিবন্ধকতাৰ বাবে ইউৰোপীয় সংঘৰ ২৭ খন সদস্য ৰাষ্ট্ৰৰ আটাইকেইখনৰে সন্মতিৰ প্ৰয়োজন।

0000000000

ভাৰত চেনীৰ সৰ্ববৃহৎ উৎপাদনকাৰী আৰু দ্বিতীয় সৰ্ববৃহৎ ৰপ্তানীকাৰী দেশৰূপে পৰিগণিত হৈছে। দেশত ২০২১-২২ বৰ্ষত অভিলেখ পৰিমাণৰ ৫ হাজাৰ লাখ মেট্ৰিকটনতকৈ অধিক কুঁহিয়াৰ উৎপাদন হৈছে। ইয়াৰে ভিতৰত ৩৫ লাখ মেট্ৰিকটন চেনী ইথানল উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয় আৰু চেনী কলসমূহে উপভোক্তাসকলৰ বাবে ৩৫৯ লাখ মেট্ৰিকটন চেনী উৎপাদন কৰে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে ২০২১-২২ বৰ্ষক ভাৰতীয় চেনী খণ্ডৰ বাবে ঐতিহাসিক বৰ্ষৰূপে পৰিগণিত হৈছে। এই সময়ছোৱাত অভিলেখ পৰিমাণৰ ১০৯ লাখ মেট্ৰিকটন চেনী ৰপ্তানী কৰা হয়।

মন্ত্ৰালয়ে কৈছে যে অনুকুল আন্তঃৰাষ্ট্ৰীয় মূল্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বাবে ভাৰতীয় চেনী উদ্যোগে এই সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ জৰিয়তে প্ৰায় ৪০ হাজাৰ কোটি টকাৰ বিদেশী মুদ্ৰা অৰ্জন কৰিব পৰা গৈছে।

0000000000

কেৰালাৰ পলক্কড় জিলাৰ ৱডক্কমশেৰিত মাজ নিশা হোৱা এটা পথ দুৰ্ঘটনাত ৯ জন লোকে প্ৰাণ হেৰুৱায়। স্কুলীয়া শিশুক কঢ়িয়াই নিয়া এখন পৰ্যটন বাছে কেৰালা ৰাজ্যিক পৰিবহন নিগমৰ এখন বাছত খুন্দিওৱাৰ ফলত এই অঘটনটো ঘটে। প্ৰাপ্ত বাতৰি অনুসৰি দুৰ্ঘটনাত নিহত লোকসকলৰ ভিতৰত কেইটিমান স্কুলীয়া শিশুও আছে। বাছখনত ৩৭গৰাকী শিক্ষাৰ্থী, ৫ গৰাকী শিক্ষক আৰু দুগৰাকী বাছ কৰ্মচাৰী আছিল। দুৰ্ঘটনাত আহত হোৱা ৩৮ জন লোকক ইতিমধ্যে ত্ৰিশূৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এই দুৰ্ঘটনাত আহত আন কেইজনমান লোকক অলাতুৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আহতসকলৰ ভিতৰত চাৰিজনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। দুৰ্ঘটনাগ্ৰস্ত বাছখন শিশুসকলক লৈ তামিলনাডুৰ পৰ্যটনস্থলী **উটি** অভিমুখে গৈ আছিল।

0000000000

পেট্ৰলিয়াম ৰপ্তানীকাৰী দেশসমূহ সংস্থা অপেকে আৰু ইয়াৰ ৰাছিয়া নেতৃত্বাধীন সহযোগী ৰাষ্ট্ৰসমূহে কালি ভিয়েনাত অনুষ্ঠিত বৈঠকত তেলৰ উৎপাদন প্ৰতিদিনে ২০ লাখ বেৰেলকৈ কৰ্তন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। এয়া কোৰিড-১৯ মহামাৰীৰ পাছত তেলৰ উৎপাদনৰ সবাতোকৈ বৃহৎ কৰ্তনৰূপে পৰিগণিত হৈছে। ইয়াৰ ফলত  গোলকীয় অৰ্থনৈতিক মন্দাৱস্থা, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্ধিত সুদৰ হাৰ আৰু  ডলাৰৰ স্থিতি মজবুত হোৱাৰ আশংকা কৰি তিনি মাহ পূৰ্বে ৯০ৰ পৰা ১২০ ডলাৰ কৰ্তন কৰা তেলৰ মূল্য বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইদেনে অপেক ৰাষ্ট্ৰগোষ্ঠীৰ সিদ্ধান্তকলৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জেক ছুলেৰন আৰু বিশিষ্ট অৰ্থনৈতিক উপদেষ্টা ব্ৰেইন ডিজে কৈছে যে ৰাষ্ট্ৰপতি অপেকৰ এই অদূৰদৰ্শী সিদ্ধান্তকলৈ নিৰাশ হৈছে। তেওঁলোকে কয় যে ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত কৰা আক্ৰমণৰ বাবে দেখা দিয়া গোলকীয় অৰ্থ ব্যৱস্থাই নেতিবাচক প্ৰভাৱ অব্যাহত থকাৰ সময়তে গ্ৰহণ কৰা তেলৰ যোগান কৰ্তনৰ এই সিদ্ধান্তৰ ফলত  পূৰ্বৰে পৰা উচ্চ মূল্যৰ বাবে সমস্যাৰ সন্মুখীন হোৱা দেশসমূহৰ ওপৰত প্ৰভাৱ পৰিব।

০০০০০০০০০০০

দেশৰ সৰ্ববৃহৎ জনসেৱা সম্প্ৰচাৰ প্ৰতিষ্ঠান আকাশবাণী স্বাধীনতাৰ পাছত বিগত ৭৫ বছৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ বাবে তথ্য আৰু বাতৰিৰ শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। আকাশবাণীয়ে **আজাদ ভাৰত কী বাত, আকাশবাণী কে সাথ** শীৰ্ষক এটা শৃংখলাৰে স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী উদযাপন কৰিছে। আকাশবাণীয়ে বচা বচা কাহিনীৰ মাধ্যমেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ বিকাশ যাত্ৰাৰ চমু আভাষ দাঙি ধৰিছে। এই শৃংখলাৰ আজিৰ খণ্ডটিত **দেশত হিন্দী চলচ্চিত্ৰৰ যাত্ৰাৰ** বিষয়ে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ইউ টিউব চেনেল আৰু নিউজ অন এয়াৰ এপৰ লগতে টুইটাৰ, ফেইচবুক তথা ইনষ্টাগ্ৰামৰ মাধ্যমেৰে শুনিবলৈ পোৱা যাব।

০০০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। শৃংখলাৰ বাকী দুখন খেলৰ এখন ৯ অক্টোবৰত ৰাঁচীত আৰু আনখন ১১ অক্টোবৰত দিল্লীত খেলোৱা হ'ব।

০০০০০০০০০০০

ভাৰতৰ পুৰুষৰ জুনিয়ৰ স্কীট দলে কালি ক্ৰ'ৱেছিয়াৰ অচিজেকত অনুষ্ঠিত আই এছ এছ এফ বিশ্ব চেম্পিয়নশ্বীপ শ্বটগানত চেক গণৰাজ্যক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতৰ ভাৱটেগ সিং গিল, ঋতুৰাজ বুন্দেলা আৰু অভয় সিং শেখোঁই ব্ৰঞ্জৰ পদকৰ খেলখনত চেক গণৰাজ্যৰ ৬-২ ফলাফলেৰে পৰাস্ত কৰে। ভাৱটেগ, ঋতুৰাজ আৰু অভয়ে যোগ্যতা অৰ্জনকাৰী ৰাউণ্ড ২২৫ৰ ভিতৰত ২০৪ পইণ্ট অৰ্জন কৰি চেক গণৰাজ্যৰ সৈতে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। অৱশ্যে ভাৰতীয় দলটোৱে শ্বুটঅফত ১১-১০ ফলাফলেৰে তৃতীয় স্থান দখল কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই ২০৯ পইণ্টেৰে শীৰ্ষত থাকে। এই প্ৰতিযোগিতাত ভাৰতে এতিয়ালৈকে চাৰিটা পদক লাভ কৰিছে।

অৰিবা খান, মুফদল জহৰা দিছাবল আৰু পৰিনাজ ধালিৱালক লৈ গঠিত ভাৰতৰ মহিলাৰ স্কীট দলটোৱেও তৃতীয় স্থানৰ খেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। দলটোৱে যোগ্যতা অৰ্জনকাৰী ৰাউণ্ডত যৌথভাৱে ১৮৭ পইণ্ট লাভ কৰি চতুৰ্থ স্থানত থাকে।

০০০০০০০০০০

(সমাপ্ত)